নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেইসকল নাৰীক অভিসম্পাত কৰিছে, যিসকলে কৃত্ৰিম চুলি ব্যৱহাৰ কৰে, আৰু যিসকলে কৃত্ৰিম চুলি সংস্থাপন কৰি দিয়ে, এইদৰে যিয়ে নিজৰ শৰীৰত উল্কি (টেটু) বনায় লয়, আৰু যিয়ে উল্কি (টেটু) আঁকে।

আব্দুল্লাহ ইবনে ওমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেইসকল নাৰীক অভিসম্পাত কৰিছে, যিসকলে কৃত্ৰিম চুলি ব্যৱহাৰ কৰে, আৰু যিসকলে কৃত্ৰিম চুলি সংস্থাপন কৰি দিয়ে, এইদৰে যিয়ে নিজৰ শৰীৰত
উল্কি (টেটু) বনায় লয়, আৰু যিয়ে উল্কি (টেটু) আঁকে। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত চাৰি প্ৰকাৰ লোকৰ ওপৰত বদ্দুআ কৰিছে, আৰু আল্লাহৰ ৰহমতৰ পৰা দূৰ হোৱাৰ অভিশাপ কৰিছে। প্ৰথমঃ এনেকুৱা নাৰী যিয়ে নিজৰ অথবা আনৰ মূৰত কৃত্ৰিম চুলি লগাই দিয়ে। দ্বিতীয়ঃ এনেকুৱা নাৰী যিয়ে আনৰ ওচৰত নিজৰ মূৰত কৃত্ৰিম চুলি লগাই দিবলৈ আবেদন কৰে। তৃতীয়ঃ এনেকুৱা নাৰী যিয়ে শৰীৰৰ কোনো অংগত, যেনে- মুখমণ্ডল, হাত অথবা বুকুত বেজীৰ সহায়ত আনৰ শৰীৰত কিবা অংকন কৰি দিয়ে আৰু তাত ছুৰমা আদি লগাই দিয়ে, যাতে নীলা ৰং অথবা সেউজীয়া ৰং ধাৰণ কৰে। এইটো কৰা হয় সৌন্দৰ্য্য বৃদ্ধি কৰাৰ উদ্দেশ্যত। চতুৰ্থঃ এনেকুৱা নাৰী যিয়ে নিজৰ শৰীৰত টেটু অংকন কৰোৱাই লয়। এই সকলোবোৰ কাম হৈছে কবীৰাহ গুনাহ বা মহাপাপ।

http://sunnah.global/hadeeth/as/show/58099